K. College, I.Q.A.C.

নির্ভীক, নিৰপেক্ষ

# অসমীয়া খবৰ

১৯৩৪, ০৩৬১-২৪৭৭২৯১/২

বিশ্বাস-আস্থা



ত সহপা



## কানৈ কলেজলৈ 'নাক'ৰ 'এ' গ্ৰেড প্ৰদান

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ১৩ ফেব্ৰুৱাৰী ঃ** ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ে ৰাষ্ট্ৰীয় মূল্যায়ন আৰু প্ৰত্যায়ন পৰিষদৰ 'এ' গ্ৰেড লাভ কৰিবলৈ সক্ষম হৈছে। ২ আৰু ৩ ফেব্ৰুৱাৰীত দক্ষিণ বিহাৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ ডীন ড° শ্যামানন্দ সিং, পণ্ডিচেৰী বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ড° শশীকান্ত দাশ আৰু মথুৰাৰ আৰ চিএগালৰ্ছ কলেজৰ অধ্যক্ষ ড° প্ৰীতি জোহাৰীসহ তিনিজনীয়া 'নাক'ৰ পৰিদৰ্শনকাৰী দলে মহাবিদ্যালয়খন পৰিদৰ্শন কৰে। মহাবিদ্যালয়খনৰ বিদ্যায়তনিক, প্ৰশাসনিক, ছাত্ৰ-ছাত্ৰীৰ মান, শৈক্ষিক অনুশীলনৰ ধাৰাবাহিকতা, ক্ৰীড়া-সংস্কৃতিৰ দিশৰ সফলতাক পৰিদৰ্শনকাৰী দলটোৱে ভূয়সী প্ৰশংসা কৰে। অন্যান্য দিশসমূহৰ উপৰিও মহাবিদ্যালয়খনৰ আন্তঃগাঁথনিক লৈ পৰিদৰ্শনকাৰী দলটোৱে সন্তোষ প্ৰকাশ কৰে। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই নাকৰ ফলাফল লাভ কৰাৰ পাছতেই মতপ্ৰকাশ কৰি কয়— বিগত পাঁচ বছৰে মহাবিদ্যালয়খনক 'এ' গ্ৰেডৰ পৰ্যায়লৈ উত্তৰণ ঘটাবৰ বাবে সকলো অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীয়ে দিনে-নিশাই কঠোৰ পৰিশ্ৰম কৰিছিল। এনে কঠোৰ পৰিশ্ৰমৰ ফলশ্ৰুতিত মহাবিদ্যালয়খনে পূৰ্বৰ ২.৮৫ চিজিপিএৰ পৰা ৩.০৩ চিজিপিএলৈ উন্নীত হৈ 'এ' গ্ৰেড পাবলৈ সক্ষম হয়। এই মূল্যায়নৰ ফলত মহাবিদ্যালয়খনে নিজৰ শক্তি কি, দূৰ্বলতা কি সেয়া জানিবলৈ সক্ষম হোৱা বুলিও তেওঁ কয়। অধ্যক্ষগৰাকীয়ে মহাবিদ্যালয়ৰ আইকিউএচিৰ সহযোগক প্ৰশংসা কৰে।

দিচাংমুখৰ ন

## ২২ বছৰে

### উপায়ুক্তক অভিযোগ দ

**আমাৰ খবৰ, শিৱসাগৰ, ১৩ ফেব্ৰুৱাৰী ঃ** আজিৰ পৰা প্ৰায় ২২ বছৰ পূৰ্বলৈকে দিচাংমুখত আছিল ভাৰতীয় ষ্টেট বেংকৰ শাখাটো। কিন্তু, সেই সময়ত এটা প্ৰতিক্ৰিয়াশীল চক্ৰই চক্ৰান্তৰে দিচাংমুখৰ পৰা এই এছবিআই শাখাটো দিচাংমুখৰ পৰা প্ৰায় ১৩ কিলোমিটাৰ নিলগৰ ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ কাষৰ ডেকা বৰবৰুৱা চাৰিআলিলৈ স্থানান্তৰিত কৰিছিল। সেই সময়তে বৃহত্তৰ দিচাংমুখ অঞ্চলৰ ৰাইজে শাখাটোক শিৱসাগৰ নগৰৰ ওচৰলৈ স্থানান্তৰিত কৰাকলৈ তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰিছিল। কিন্তু, উক্ত সময়ছোৱাত এক সুযোগসন্ধানী প্ৰতিক্ৰিয়াশীল চক্ৰটোৱে প্ৰতিবাদ চলি থকাৰ মাজতে নিশাৰ আন্ধাৰৰ

সুযোগ
সকলো
গৈছিল
দূৰলৈ
শাখাটো
দিচাংমু
পৰিছিল
দিচাংমু
নামকৰ
থকা এ
কাজসমু
পৰা ১
হোৱাত
বৃহত্তৰ